<u>ভাৰতৰ সংসদত সন্ত্ৰাসবাদী আক্ৰমণৰ এগৰাকী অভিযুক্ত আফজল গুৰুৰ ফাঁচীৰ সংক্ৰান্তত</u>

–অৰুণ জেটলি

যোৱা ২০০১ চনৰ ১৩ ডিচেম্বৰত সন্ত্ৰাসবাদীয়ে ভাৰতৰ সংসদত আক্ৰমণ কৰে। সেই সময়ত সংসদ তথা সংসদৰ ভিতৰত থকা লোকসকলক নিৰাপদে ৰখাৰ বাবে বহু কেইগৰাকী আৰক্ষী আৰু সংসদৰ সুৰক্ষা কৰ্মীয়ে মৃত্যু বৰণ কৰে। এই আক্ৰমণৰ বিৰোধিতা কৰি সমগ্ৰ দেশ সজাগ হৈ উঠে। আমি সকলোৱে দৃঢ়ভাৱে কৈছিলো যে– ভাৰতক সহজ লক্ষ্য কৰি লোৱাৰ বাবে কাকো সুযোগ দিয়া নহ’ব আৰু লগতে এইবুলিও প্ৰতিজ্ঞা কৰিছিলো যে, এই আক্ৰমণৰ আঁৰত থকা অপৰাধীসকলক শাস্তি দিয়া হ’ব। আমাৰ সাহসী নিৰাপত্তাৰক্ষীসকলে আক্ৰমণকাৰীসকলক ঘটনাস্থলীতে নিহত কৰিছিল। আন অভিযুক্তসকলক ধৰা হৈছে, বিচাৰ হৈছে আৰু বহুতৰে শাস্তি হৈছে। নিৰাপত্তা বাহিনীৰ কৰ্মীসকলে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত কোনো সন্ত্ৰাসবাদীয়ে সংসদ ভৱনৰ ভিতৰত প্ৰৱেশ কৰিবলৈ সক্ষম নহ’ল। আক্ৰমণকাৰীসকলৰ লক্ষ্য আছিল ভাৰতীয় ৰাজনৈতিক নেতাসকলৰ একাংশক নিহত কৰা কিন্তু সেই লক্ষ্যত তেওঁলোক সফল নহ’ল।

আমি বহু সন্ত্ৰাসবাদী আক্ৰমণ দেখিছো। বেছিভাগ সীমান্তৰ সিপাৰে পৰিকল্পনা কৰা হয় আৰু ইয়াত সেয়া কাৰ্যৰূপায়িত হয়। আক্ৰমণৰ লক্ষ্যবস্তু খুব চিন্তা ভাবনাৰ মাজেৰে স্থিৰ কৰা হৈছে, ভাৰতীয় সংসদ, জম্মু কাশ্মীৰ বিধানসভা, অক্ষৰধাম মন্দিৰ, মুম্বাই চহৰ আছিল তাৰ ভিতৰত অন্যতম। এই লক্ষ্যস্থল হ’ল ভাৰতৰ সংসদীয় গণতন্ত্ৰৰ, সাৰ্বভৌমত্বৰ, সাংস্কৃতিক ঐতিহ্যৰ তথা অৰ্থনীতিৰ প্ৰতীক। ভাৰতীয় সংসদৰ ওপৰত আক্ৰমণ মানে ভাৰতৰ ওপৰত আক্ৰমণ। ভাৰতে সেয়েহে এই আক্ৰমণৰ তীব্ৰ নিন্দা কৰিছে।

ভাৰত হ’ল এনে এখন সমাজ যি আইনৰ শাসনৰ দ্বাৰা শাসিত হয়। আৰক্ষীয়ে যি তদন্ত কৰে, আদালতে সেয়া বিবেচনা কৰে। দীৰ্ঘদিনীয়া বিচাৰ প্ৰক্ৰিয়াৰ অন্তত প্ৰথমে উচ্চ ন্যায়ালয়ত আৱেদন, তাৰ পাচত উচ্চতম ন্যায়ালয়ত আৱেদন কৰিব পৰা যায়, এনেদৰে খুব সতৰ্কতাৰে তথ্য পৰীক্ষা কৰাৰ ব্যৱস্থা আছে। আফজল গুৰুৰ ক্ষেত্ৰত বিচাৰ বিভাগীয় কৰ্তৃপক্ষই কৈছে যে– অপৰাধী তথা তেওঁৰ ফাঁচীৰ নিৰ্দেশ বাহাল আছে। ক্ষমা প্ৰাৰ্থনাৰ আৱেদন ৰাষ্ট্ৰপতিয়ে প্ৰত্যাখ্যান কৰিছে। চৰকাৰে যিটো বিষয়ৰ ব্যাখ্যা আগবঢ়াব পৰা নাই সেইটো হ’ল ফাঁচী দিয়াত ইমান দেৰী কিয় হ’ল? জনসাধাৰণৰ হেঁচাত পৰি চৰকাৰে কাম কৰিবলৈ আৰু আইনগত ব্যৱস্থা ল’বলৈ বাধ্য হ’ল। ২০০১ চনৰ ১৩ ডিচেম্বৰৰ দৰে ভাৰতে আজিও সমস্বৰে ক’ব লাগিব আৰু বিশ্বক এই বাৰ্তা দিব লাগিব যে– ভাৰত নৰম ৰাষ্ট্ৰ নহয়। যি ভাৰতৰ সাৰ্বভৌমত্ব, তাৰ প্ৰতিষ্ঠানক আক্ৰমণ কৰিব, তেওঁলোকৰ বিৰুদ্ধে সমুচিত ব্যৱস্থা গ্ৰহণ কৰা হ’ব। পলমকৈ হ’লেও অৱশেষত ন্যায় বিচাৰ হৈছে।